জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৩৯/২০২০

## জলসম্পদ বিভাগৰ ৬৫ গৰাকী নৱনিযুক্ত সহকাৰী অভিযন্তাক নিয়োগপত্ৰ বিতৰণ কৰিলে মুখ্যমন্ত্ৰীয়ে

# ৰাজ্যৰ নদীসমূহৰ বিজ্ঞানসন্মত অধ্যয়ন নকৰিলে বান-খহনীয়াৰ পৰা জনসাধাৰণক নিৰাপত্তা প্ৰদান কৰিব পৰা নাযায় ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১০ আগষ্ট ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মহানগৰীৰ বশিষ্ঠস্থিত অসম জল গৱেষণা আৰু ব্যৱস্থাপনা প্ৰতিষ্ঠানত আয়োজিত এক অনুষ্ঠানত জলসম্পদ বিভাগৰ ৬৫ গৰাকী নৱনিযুক্ত সহকাৰী অভিযন্তা (চিভিল) ৰ নিয়োগপত্ৰ বিতৰণ কৰে।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ৰাজ্যখনৰ বানপানী আৰু গৰাখহনীয়াৰ স্থায়ী সমাধানৰ জৰিয়তে জনসাধাৰণক নিৰাপত্তা প্ৰদান কৰিব লাগিলে প্ৰতিখন নৈ বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰিব লাগিব। বানপানী আৰু গৰাখহনীয়াৰ ফলত ৰাজ্যখনত ১.২৫ লাখ কৃষকে নিজৰ মাটিকে ধৰি সা-সম্পত্তি হেৰুৱাবলগীয়া হৈছে। ৰাজ্যৰ মথাউৰিসমূহ দুৰ্বল হৈ পৰিছে। ইয়াক শক্তিশালীভাৱে গঢ় দিব নোৱাৰিলে বানপানী আৰু গৰাখহনীয়াৰ সমস্যা সমাধান কৰাটো সম্ভৱ নহয়। মুখ্যমন্ত্ৰীয়ে কয় যে নৱনিযুক্ত সহকাৰী অভিযন্তাসকলে বানপানী আৰু গৰাখহনীয়াই সৃষ্টি কৰা প্ৰত্যাহ্বান গ্ৰহণ কৰি উদ্ভাৱনীমূলক চিন্তা-চৰ্চাৰে কৰ্মত নিয়োজিত হ'ব লাগিব।

পূৰ্বৰ চৰকাৰৰ দিনত জলসম্পদ বিভাগৰ দুৰ্নাম আছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বাৰিষাৰ সময়ছোৱাত মথাউৰি নিৰ্মাণ কৰাৰ ফলত বহু চৰকাৰী ধনৰ অপচয় হৈছিল। এই বিভাগটোৰ প্ৰতিচ্ছৱি সলনি কৰাৰ বাবে বৰ্তমানৰ ৰাজ্য চৰকাৰে আৰম্ভণিৰে পৰা প্ৰয়াস চলাই আহিছে। মথাউৰিসমূহ যাতে বিজ্ঞানসন্মতভাৱে মেৰামতি কৰা হয় তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি অক্টোবৰ মাহৰ পৰা কাম আৰম্ভ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ কয় যে প্ৰতিখন নৈৰে চৰিত্ৰ সুকীয়া। ভূটানৰ পৰা অহা ১২ খন নৈয়ে নামনি অসমত প্ৰতিবছৰে প্ৰলয়ংকাৰী বানৰ সৃষ্টি কৰি আহিছে। এই বিষয়সমূহ সঠিকভাৱে অধ্যয়ন কৰি নৱনিযুক্ত অভিযন্তাসকলে নিজৰ দক্ষতাৰ পৰিচয় দাঙি ধৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। সৎ আৰু নিষ্ঠাৰে কাম কৰি নিজকে প্ৰতিষ্ঠা কৰিব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই বিভাগটো অধিক গতিশীল আৰু কাৰ্যক্ষম কৰিব পাৰিলে জনসাধাৰণক নিৰাপত্তা দিয়াটো সম্ভৱ হৈ উঠিব।

মুখ্যমন্ত্ৰীয়ে কয় যে চলিত বৰ্ষত বাৰিষাৰ সময়ছোৱাতে কেইবাটাও ভঙা মথাউৰি মেৰামতিৰ কাম হাতত লোৱা হৈছে। গাই নদীৰ দৰে বিশাল প্ৰত্যাহ্বান থকা নদীয়ে ভঙা মথাউৰি এসপ্তাহৰ ভিতৰতে মেৰামতি কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ কয় যে গ্ৰাম্য অৰ্থনীতি নিৰাপত্তা দিয়াৰ বাবে মথাউৰিসমূহ

শক্তিশালীভাৱে নিৰ্মাণ কৰিব লাগিব। আজি প্ৰধানমন্ত্ৰীৰে হোৱা ভিডিঅ' কনফাৰেন্সিঙৰ সময়ত ৰাজ্যৰ ৫ হাজাৰ কিঃমিঃ দৈৰ্ঘ্যৰ মথাউৰিক পথ তথা মথাউৰি হিচাপে উন্নীতকৰণৰ বাবে অনুৰোধ জনোৱা হৈছে। গ্ৰাম্য অৰ্থনীতিক নিৰাপত্তা প্ৰদান কৰিব লাগিলে মথাউৰিসমূহ শক্তিশালীভাৱে নিৰ্মাণ কৰিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজ্যৰ বানপানী আৰু গৰাখহনীয়া সমস্যাটো ৰাষ্ট্ৰীয় দৃষ্টিভংগীৰে গ্ৰহণ কৰি সেই অনুসাৰে পদক্ষেপ গ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

জলসম্পদ বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব চৈয়দ্দিন আব্বাছীয়ে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত জলসম্পদ বিভাগৰ মন্ত্ৰী কেশৱ মহন্তয়ো ভাষণ প্ৰদান কৰে। অনুষ্ঠানত বিভাগৰ মুখ্য অভিযন্তাকে ধৰি শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**পুঃডেঃ**

**১০/০৮/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in